# আমাৰ এনআৰচি
# ন্যায়সংগত এনআৰচি

NRC
NATIONAL REGISTER OF CITIZENS

## উপায়ুক্তৰ দ্বাৰা আবেদনকাৰীসকলৰ ঘৰে ঘৰে গৈ নথিপত্ৰৰ পুনঃ পৰীক্ষণ কৰা হ'ব

### আপোনালোকৰ জ্ঞাতাৰ্থে

- প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নাম এনআৰচিত অন্তৰ্ভুক্ত কৰাটো নিশ্চিত কৰিবলৈ জিলা দণ্ডাধীশ (জিলা উপায়ুক্ত)ৰ দ্বাৰা কিছুমান আবেদনপত্ৰৰ অনুসন্ধান / তদন্ত আৰু পুনঃ পৰীক্ষণৰ প্ৰয়োজন হ'ব পাৰে।
- এইক্ষেত্ৰত, জিলা দণ্ডাধীশৰ দ্বাৰা গঠিত এন এছ কেৰ পৰীক্ষণকাৰী দল আবেদনকাৰীৰ বাসস্থানত উপস্থিত হ'ব।
- পৰীক্ষণকাৰী দলৰ উপস্থিতিত আবেদনকাৰীসকলে সন্দেহ দূৰীকৰণ আৰু স্পষ্টীকৰণৰ বাবে পৰ্য্যাপ্ত সুযোগ পাব।
- পুনঃ পৰীক্ষণৰ এই প্ৰক্ৰিয়া ১ ডিচেম্বৰ ২০১৭ তাৰিখৰ পৰা আৰম্ভ হ'ব।
- যিবোৰ নথিপত্ৰ আৰু বিৱৰণৰ পুনঃ পৰীক্ষণৰ প্ৰয়োজন হ'ব পাৰে সেই নথিসমূহৰ বিষয়ে পৰীক্ষণকাৰী দলে আবেদনকাৰীক লিখিতভাৱে জনাব।

### আপোনাৰ সহযোগিতা বাঞ্ছনীয়

- পৰীক্ষণকাৰী দল আবেদনকাৰীৰ বাসস্থানত উপস্থিত হোৱাৰ সময়ত আবেদনকাৰী সেই ঠিকনাত উপস্থিত থাকি পৰীক্ষণকাৰী দলক প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱাটো বাঞ্ছনীয়।
- পুনঃ পৰীক্ষণৰ সময়ত আবেদনকাৰীয়ে মূল নথি-পত্ৰ দেখুৱাব লগা হ'ব পাৰে।
- মূল নথি-পত্ৰসমূহ পৰীক্ষণকাৰী দলে লগত লৈ নাযায়।
- নাগৰিকপঞ্জীত প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নাম অন্তৰ্ভুক্ত হোৱা আৰু অবৈধ প্ৰব্ৰজনকাৰীসকলৰ নাম অন্তৰ্ভুক্ত নোহোৱাটো নিশ্চিত কৰিবলৈ ৰাইজৰ আন্তৰিক সহযোগিতা অপৰিহাৰ্য্য।

### মাত্ৰ এখনেই তালিকা - কোনো শ্ৰেণীকৰণ নহয়।

- খচৰা আৰু চূড়ান্ত নাগৰিকপঞ্জীত কেৱল প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নামহে অন্তৰ্ভুক্ত হ'ব আৰু ইয়াত 'অৰিজিনেল ইনহেবিটেন্টচ' বা অন্য কোনো ধৰণৰ শ্ৰেণীকৰণ নহয়।
- **১৯৭১ চনৰ ২৪ মাৰ্চ** (মাজনিশা) পৰ্য্যন্ত সময়সীমাৰ ভিত্তিত সকলো প্ৰকৃত ভাৰতীয়ৰ নাম নাগৰিকপঞ্জীত অন্তৰ্ভুক্ত হ'ব।

### অভিযোগ প্ৰতিকাৰ

এই প্ৰক্ৰিয়াত কোনো হাৰাশাস্তিৰ সন্মুখীন হ'লে ৰাইজক তেওঁলোকৰ সংশ্লিষ্ট এনআৰচি সেৱা কেন্দ্ৰ (এন এছ কে)ৰ নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক (এলআৰচিআৰ) বা ৰাজহ চক্ৰ বিষয়া আৰু নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক (চিআৰচিআৰ) বা উপায়ুক্ত আৰু নাগৰিক পঞ্জীয়নৰ জিলা পঞ্জীয়ক (ডিআৰচিআৰ)ৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে।

Exclusive/NRC/11-17_02

জনহিতাৰ্থে প্ৰচাৰিত

**ৰাজ্যিক সমন্বয়ক, এনআৰচি, অসম চৰকাৰ**

**নাগৰিক পঞ্জীয়নৰ মহা পঞ্জীয়ক, গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ**

বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক

১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক